# 2014

## ECONOMICS

( General )

Paper : 5.2

**( Introduction to Growth and Development Economics )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×10=10

নিৰ্দেশ অনুযায়ী তলত দিয়াবোৰৰ উত্তৰ লিখা :

*(a)* Mention one merit of large-scale industry.

বৃহৎ-মাত্ৰাৰ উদ্যোগৰ এটা গুণ উল্লেখ কৰা।

*(b)* Almost all underdeveloped countries have a dualistic economy.

(Write True or False)

প্ৰায় সকলোবোৰ অনুন্নত দেশতেই এক দ্বৈত অৰ্থনীতি থাকে। (সত্য নে অসত্য লিখা)

(c) Name the organisation which prepares Human Development Index (HDI).

মানৱ উন্নয়ন সূচক প্ৰস্তুত কৰা সংস্থাটোৰ নাম লিখা।

(d) "A country is poor because it is poor." Who said this?

"দৰিদ্ৰ হোৱা বাবেই দেশ এখন দৰিদ্ৰ।" কাৰ উক্তি?

(e) The first economist to propound the theory of Balanced Growth is Rosenstein Rodan/Nurkse.

(Choose the correct answer)

সমতাপূৰ্ণ সমৃদ্ধিৰ তত্ত্ব আগবঢ়োৱা প্ৰথম অৰ্থনীতিবিদজন হৈছে ৰ'জেনষ্টেইন ৰ'ডান/নাৰ্ক্সে।

(শুদ্ধ উত্তৰটো বাছি উলিওৱা)

(f) Mention one noneconomic factor of economic growth.

অৰ্থনৈতিক সমৃদ্ধিৰ এটা অনাআৰ্থিক কাৰক উল্লেখ কৰা।

(g) What is sustainable development?

বহনক্ষম উন্নয়ন কি?





(h) Mention the basis on which industries are classified as large or small.

উদ্যোগসমূহক বৃহৎ অথবা ক্ষুদ্ৰ বুলি শ্ৰেণীভুক্ত কৰা ভিত্তিটো উল্লেখ কৰা।

(i) What is capitalist surplus?

পুঁজিবাদী উদ্বৃত্ত কি?

(j) Mention a source of economic growth.

অৰ্থনৈতিক সমৃদ্ধিৰ এটা উৎস উল্লেখ কৰা।

2. Answer the following : 2×5=10

তলত দিয়াবোৰৰ উত্তৰ লিখা :

(a) Give the meaning of the choice of technique.

কৌশল পছন্দৰ অৰ্থ লিখা।

(b) Write two differences between large-scale industry and small-scale industry.

বৃহৎ-মাত্ৰাৰ উদ্যোগ আৰু ক্ষুদ্ৰ-মাত্ৰাৰ উদ্যোগৰ মাজৰ দুটা পাৰ্থক্য লিখা।

(c) What is the problem of balance between agriculture and industry in the context of the theory of Balanced Growth?

সমতাপূৰ্ণ সমৃদ্ধি তত্ত্বটো সাপেক্ষে কৃষি আৰু উদ্যোগৰ মাজৰ সমতাৰ সমস্যাটো কি?

(d) Name the two sectors of the Lewis model of unlimited supply of labour.

লীৱিজৰ শ্ৰমিকৰ অসীম যোগান আৰ্হিটোৰ খণ্ড দুটাৰ নাম লিখা।

(e) Explain the meaning of Gross Enrollment Ratio.

মুঠ নামভৰ্তি অনুপাতৰ অৰ্থ ব্যাখ্যা কৰা।

3. Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Explain the meaning of Forward Linkage and Backward Linkage with examples.

উদাহৰণেৰে সৈতে অগ্ৰগামী সংযোগ আৰু পশ্চাদ্মুখী সংযোগৰ অৰ্থ ব্যাখ্যা কৰা।

(b) Explain the main problems of measuring economic development in underdeveloped countries.

অনুন্নত অৰ্থনীতিত অৰ্থনৈতিক উন্নয়নৰ জোখ লোৱাৰ প্ৰধান সমস্যাবাজি ব্যাখ্যা কৰা।

(c) Distinguish between balanced growth strategy and unbalanced growth strategy.

সমতাপূৰ্ণ সমৃদ্ধি কৌশল আৰু অসমতাপূৰ্ণ সমৃদ্ধি কৌশলৰ মাজত তুলনা কৰা।





(d) Assess the role of agriculture in economic development.

অৰ্থনৈতিক উন্নয়নত কৃষিৰ ভূমিকা নিৰূপণ কৰা।

(e) Distinguish between economic growth and economic development.

অৰ্থনৈতিক সমৃদ্ধি আৰু অৰ্থনৈতিক উন্নয়নৰ মাজত তুলনা কৰা।

(f) Explain the backwash effects of Migration and Capital Movement.

প্ৰব্ৰজন আৰু মূলধন সঞ্চাৰণৰ পশ্চাদ্ প্ৰক্ষালন পৰিণাম ব্যাখ্যা কৰা।

4. Answer any *four* of the following questions: 10×4=40

তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Explain the various causes of economic underdevelopment. 10

অৰ্থনৈতিক অনগ্ৰসৰতাৰ বিভিন্ন কাৰণসমূহ ব্যাখ্যা কৰা।

(b) Explain the Lewis model of unlimited supply of labour. What are the limitations of this model? 7+3

লীৱিজৰ শ্ৰমিকৰ অসীম যোগান আৰ্হিটো ব্যাখ্যা কৰা। এই আৰ্হিটোৰ সীমাবদ্ধতাবোৰ কি?

*(c)* Explain the causes of vicious circle of poverty. Give in brief solutions to the vicious circle of poverty. 7+3

দৰিদ্ৰতাৰ পাকচক্ৰৰ কাৰণসমূহ ব্যাখ্যা কৰা। চমুকৈ দৰিদ্ৰতাৰ পাকচক্ৰৰ সমাধান আগবঢ়োৱা।

*(d)* What is Human Development Index (HDI)? Explain the three basic human aspects which are studied by HDI.

Assume that India's life expectancy at birth in 1997 was 62·6 years. If maximum and minimum values for life expectancy are 80·0 and 20·0 respectively, compute life expectancy index. 2+5+3

মানৱ উন্নয়ন সূচকাংক কি? মানৱ উন্নয়ন সূচকাংকই অধ্যয়ন কৰা প্ৰাথমিক মানৱ গুণাৱলী তিনিটা ব্যাখ্যা কৰা।

ধৰি লোৱা 1997 চনত ভাৰতৰ জন্মৰ সময়ত জীৱন প্ৰত্যাশা আছিল 62·6 বছৰ। যদিহে জীৱন প্ৰত্যাশাৰ উচ্চতম আৰু নিম্নতম মান যথাক্ৰমে 80·0 আৰু 20·0 হয়, তেন্তে জীৱন প্ৰত্যাশা সূচকাংক গণনা কৰা।

*(e)* Discuss the unbalanced growth strategy of economic development. 10

অৰ্থনৈতিক উন্নয়নৰ অসমতাপূৰ্ণ সমৃদ্ধি কৌশলটো আলোচনা কৰা।





*(f)* Explain the labour-intensive technique of production. Give arguments in favour and against the labour-intensive technique of production. 4+3+3

শ্ৰম-নিবিড় উৎপাদন কৌশলটো ব্যাখ্যা কৰা। শ্ৰম নিবিড় উৎপাদন কৌশলৰ সপক্ষে আৰু বিপক্ষে যুক্তি আগবঢ়োৱা।

*(g)* Why are small-scale industries (SSIs) more suitable in developing countries? What are the main difficulties faced by these industries? 5+5

ক্ষুদ্ৰ-মাত্ৰাৰ উদ্যোগসমূহ উন্নয়নশীল দেশত কিয় বেছি উপযুক্ত? এইসমূহ উদ্যোগে সন্মুখীন হোৱা প্ৰধান অসুবিধাবোৰ কি?

*(h)* How can economic development be measured through *(i)* national income and *(ii)* per-capita real income? Mention their limitations also. 3+3+4

অৰ্থনৈতিক উন্নয়ন *(i)* জাতীয় আয় আৰু *(ii)* জনমূৰি প্ৰকৃত আয়েৰে কিদৰে জুখিব পাৰি? ইহঁতৰ সীমাবদ্ধতাও উল্লেখ কৰিবা।

★★★